**অসম বিধান সভা**

**তৰাচিহ্নিত প্ৰশ্ন নং - ১৩৪**

**উত্তৰ দানৰ তাৰিখ- ১৪/৭/২০২৬**

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, বিধায়ক।**

**বিষয় : পিটকাটি বিল**

::<u>**প্ৰশ্ন**</u>::

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) পৰ্য্যটন বিভাগৰ তৰফৰ পৰা হাজোৰ পিটকাটি বিলক এটা চৰকাৰী পৰ্য্যটন কেন্দ্ৰ (Eco Tourism Spot) হিচাপে গঢ়ি তুলিবলৈ বৰ্তমানলৈকে কিবা আঁচনি বা পৰিকল্পনা গ্ৰহণ কৰা হৈছে নেকি ? যদি হৈছে, তাৰ সবিশেষ জনাব।

(খ) বিলখনৰ সৌন্দৰ্য বৰ্দ্ধন, পাৰ বান্ধি সুৰক্ষিত কৰা, পৰ্য্যটকৰ বাবে নৌকা বিহাৰ (Boating), জিৰণি চ'ৰা, আৰু পক্ষী নিৰীক্ষণ কেন্দ্ৰ নিৰ্মাণৰ বাবে অনাগত বিত্তীয় বৰ্ষত চৰকাৰে বিশেষ কোনো পুঁজি আৱন্টন কৰাৰ ব্যৱস্থা কৰিব নেকি?

(গ) পিটকাটি বিলৰ প্ৰাকৃতিক পৰিবেশ আৰু ইয়ালৈ অহা পৰিভ্ৰমী পক্ষীসমূহৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে ইয়াৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলৰ সংস্থাপনৰ সৃষ্টি কৰিবলৈ চৰকাৰে কিবা বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নেকি ?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

(ক) ২০০৬-০৭ বিত্তীয় বৰ্ষত ভাৰত চৰকাৰৰ পৰ্য্যটন মন্ত্ৰালয়ৰ অধীনত হাজোৰ পিটকাটি বিলত ৩৭.৭৫ লাখ টকা সাপেক্ষে অসম পৰ্য্যটন বিভাগৰ দ্বাৰা বিলৰ সৌন্দৰ্যবৰ্ধনৰ কাম কৰা হৈছিল।

(খ) বিলখনৰ সৌন্দৰ্য বৃদ্ধি, পাৰ বান্ধি সুৰক্ষিত কৰা, পৰ্য্যটকৰ বাবে নৌকা বিহাৰ (Boating), জিৰণী চ'ৰা, আৰু পক্ষী নিৰীক্ষণ কেন্দ্ৰ নিৰ্মাণ আদি কামৰ বাবে ভৰিষ্যতে পুঁজিৰ উপলব্ধতা সাপেক্ষে বিবেচনা কৰিব পৰা যাব।

**(গ)** পৰ্য্যটন বিভাগে সময়ে সময়ে পৰ্য্যটক গাইড প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰে, য'ত পিটকাটি বিল আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ স্থানীয় যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰি দক্ষতা বৃদ্ধি কৰাৰ লগতে অঞ্চলটোত পৰ্যটন-সম্পৰ্কীয় কাৰ্যকলাপত জড়িত হোৱাৰ সুযোগ লাভ কৰে। ইয়াৰ উপৰিও, তেওঁলোকে 'ফুড ক্ৰাফ্ট ইনষ্টিটিউট', চামগুৰিত আৰু 'ইনষ্টিটিউট অফ হোটেল মেনেজমেন্ট', গুৱাহাটীত (অসম ৰাজ্যৰ বাবে ২০ খন আসন সংৰক্ষিত) উপলব্ধ বিভিন্ন আতিথ্য সেৱা (Hospitality) আৰু দক্ষতা বিকাশমূলক পাঠ্যক্ৰমত অংশগ্ৰহণ কৰি আতিথ্য আৰু পৰ্য্যটন উদ্যোগত পেছাদাৰী দক্ষতা অৰ্জন কৰিব পাৰে।

********

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly